# মাটি

**পাঠ: ৯**

## অনুশীলনী

**শুদ্ধ উত্তৰ বাছি উলিওৱা—**

**প্ৰশ্ন ১: শিলৰ কণিকাৰ বাহিৰেও মাটিত থাকে—**

**( a ) – বায়ু আৰু পানী**

**( b ) পানী আৰু উদ্ভিদ**

**( C ) খনিজ , জৈৱ পদাৰ্থ , বায়ু আৰু পানী**

**( d ) পানী , বায়ু আৰু উদ্ভিদ**

উত্তৰঃ ( C ) খনিজ , জৈৱ পদাৰ্থ , বায়ু আৰু পানী ।

**প্ৰশ্ন ২: পানী ধাৰণ ক্ষমতা আটাইতকৈ বেছি হ'ল—**

**( a ) বালি মাটিৰ**

**( b ) বাোকা মাটিৰ**

**( c ) পলসুৱা মাটিৰ**

**( d ) বালি আৰু পলসুৱা মাটিৰ মিশ্ৰণৰ**

উত্তৰঃ ( b ) বাোকা মাটিৰ ।

**প্ৰশ্ন ৩: মিলাই লিখা—**

| **স্তম্ভ- I** | **স্তম্ভ- II** |
|---|---|
| **( i ) জীৱৰ গৃহ** | **( a ) ডাঙৰ কণিকা** |
| **( ii ) মাটিৰ প্ৰথম স্তৰ** | **( b ) সকলাে প্ৰকাৰৰ মাটি** |
| **( iii ) বালি মাটি** | **( c ) কলা বৰণৰ** |
| **( iv ) মাটিৰ মধ্যস্তৰ** | **( d ) ক্ষুদ্ৰ কণিকা আৰু দৃঢ়ভাৱে বান্ধ লাােৱা** |
| **( v ) বাােকা মাটি** | **( e ) হিউমাছৰ পৰিমাণ কম** |

উত্তৰঃ

| **স্তম্ভ- I** | **স্তম্ভ- II** |
|---|---|
| **( i ) জীৱৰ গৃহ** | **( b ) সকলাে প্ৰকাৰৰ মাটি** |
| **( ii ) মাটিৰ প্ৰথম স্তৰ** | **( c ) কলা বৰণৰ** |
| **( iii ) বালি মাটি** | **( a ) ডাঙৰ কণিকা** |
| **( iv ) মাটিৰ মধ্যস্তৰ** | **( e ) হিউমাছৰ পৰিমাণ কম ।** |
| **( v ) বাােকা মাটি** | **( d ) ক্ষুদ্ৰ কণিকা আৰু দৃঢ়ভাৱে বান্ধ লাােৱা** |

**প্ৰশ্ন ৪: মাটি কিদৰে সৃষ্টি হয় বাখ্যা কৰা ।**

উত্তৰঃ মাটিৰ সৃষ্টিৰ ক্ষেত্ৰত তলত দিয়া প্ৰাকৃতিক প্ৰক্ৰিয়াবাােৰ জড়িত হৈ থাকে—

( i ) ভূমিকম্প বা আগ্নেয়গিৰি উদগীৰণ

( ii ) শিলাখণ্ডৰ ক্ষয়ীভৱন

( iii ) বিচূৰ্ণীকৰণ বা বিয়াােজন

( iv ) হিউমাছ সংযাােগকৰণ ।

আগ্নেয়গিৰিৰ উদগীৰণৰ সময়ত মাটিৰ তলৰ শিলাখণ্ড ওপৰলৈ গলিত অৱস্থাৰে ওলাই ভূ – পৃষ্ঠত জমা হয় । ঠিক তেনেদৰে ভূমিকম্পৰ ফলতা◌ে ভূ – গৰ্ভৰ পৰা শিলাখণ্ড ওপৰলৈ উঠি আহে । এই শিলাখণ্ডবা◌েৰ বতাহ , পানী , তাপ , চাপ আদিৰ বাবে ভাঙি ক্ষয় যায় । ক্ষয় যা◌েৱা সৰু শিলাখণ্ডবা◌েৰ সময়ৰ লগে লগে ভাঙি চূৰ্ণ বিচূৰ্ণ হৈ পানীৰ বা বায়ুৰ সোঁতত এঠাইৰ পৰা আন এঠাইলৈ যায় । তাৰ ওপৰত উদ্ভিদ বা প্ৰাণীবা◌েৰ মৰি পছি হিউমাছ সংযা◌েগ হয় । ইয়াকে মাটি বা◌েলে ।

**প্ৰশ্ন ৫: বা◌েকা মাটি শস্যৰ বাবে কিদৰে উপযা◌েগী হয় ?**

উত্তৰঃ বা◌েকা মাটিৰ গুণবা◌েৰ হ'ল

( i ) ই পানী ধৰি ৰাখিব পাৰে ।

( ii ) হিউমাছৰ পৰিমাণ বেছি ।

( iii ) ই উৰ্বৰ ।

এই গুণবা◌েৰৰ বাবেই বা◌েকা মাটি খেতিৰ উপযা◌েগী হয় । ঘেঁহু , ধান , মৰাপাট আদি  খেতিৰ বাবে এনে মাটি অতি উৎকৃষ্ট ।


**প্ৰশ্ন ৬: বা◌েকা মাটি আৰু বালি মাটি পাৰ্থক্য লিখা ।**

উত্তৰঃ

| **বা◌েকা মাটি** | **বালি মাটি** |
|---|---|
| ( i ) মাটিৰ কণিকাবা◌েৰ অতি ক্ষুদ্ৰ | ( i ) মাটিৰ কণিকাবা◌েৰ বা◌েকাতকৈ ডাঙৰ |
| ( ii ) পানীৰ ধাৰণ ক্ষমতা বেছি | ( ii ) পানীৰ ধাৰণ ক্ষমতা কম |
| ( iii ) পানী সৰকি যা◌েৱাৰ বেগ কম | ( iii ) পানী সৰকি যা◌েৱাৰ বেগ বেছি । |

**প্ৰশ্ন ৭: মাটিৰ প্ৰস্থচ্ছেদত এটা মা◌েটামুটি চিত্ৰ অংকন কৰা আৰু তাৰ বিভিন্ন স্তৰবা◌েৰ চিনাক্ত কৰা ।**

উত্তৰঃ তলত মাটিৰ প্ৰস্থচ্ছেদৰ এটা মোটামুটি চিত্ৰ অংকন কৰি তাৰ বিভিন্ন স্তৰবোৰ চিনাক্ত কৰি দিয়া হল –




**প্ৰশ্ন ৮: ৰাজিয়াই মাটিৰে পানী সৰকি যোৱাৰ বেগ ( Percolation rate ) নিৰ্ণয় বাবে পৰীক্ষা এটা তলত দিয়া ধৰণে কৰিলে ।**

তাই লোৱা মাটিৰ নমুনাই 200 মি.লি.ৰ পানীয়ে 40 মিনিট সময় ল’লে । পানী সৰকি যোৱা বেগ নিৰ্ণয় কৰা ।

উত্তৰঃ দিয়া আছে ,

পানীৰ পৰিমাণ = 200 মি.লি.

প্ৰয়োজনীয় সময় = 40 মিনিট

আমি জানো যে ,

$$\text{সৰকি যোৱাৰ বেগ} = \frac{\text{পানীৰ পৰিমাণ}}{\text{সময়}}$$

$$= \frac{200}{40}$$

= 5 মি.লি. / মিনিট

**প্ৰশ্ন ৯: ভূ – প্ৰদূষণ আৰু ভূ – স্খলন কিদৰে ৰোধ কৰিব পাৰি ?**

উত্তৰঃ মাটি প্ৰদূষণ বিভিন্ন ধৰণে হয় । ভূমিকম্প আৰু আগ্নেয়গিৰি উদগীৰণৰ দ্বাৰাও , প্ৰাকৃতিকভাৱে মাটি প্ৰদূষিত হয় । বৰ্তমান পলিথিন , প্লাষ্টিক প্ৰদূষণ হ'ল আটাইতকৈ ভয়াবহ । ইয়াৰ উপৰি অন্য প্ৰদূষক হ'ল বৰ্জিত পদাৰ্থ , ৰাসায়নিক দ্ৰব্য আৰু কীটনাশক আদি ।

মাটিৰ খহনীয়া বা ভূ – স্খলন বিভিন্ন ধৰণে হয় । বানপানীৰ সময়ত পানীৰ সোঁতে গভা – খহনীয়াৰ সৃষ্টি কৰে । বতাহ – ধূমূহাত মাটিৰ কণিকা উৰি গৈও ভূ – ক্ষয় ঘটে ।

প্ৰদূষণৰ পৰা হাত সৰাৰ উপায় হল—

( ১ ) পলিথিন আৰু প্লাষ্টিক উৎপাদন ৰা ে ধ কৰা বা নিয়ন্ত্ৰণ কৰা ।

( ২ ) পলিথিনৰ সলনি জৈৱ নমনীয় পদাৰ্থৰে তৈয়াৰী বেগ আৰু অন্য সামগ্ৰী তৈয়াৰ কৰা ।

( ৩ ) কীটনাশক আৰু ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা ।


ভূ – স্খলনৰ পৰা হাত সাৰিবলৈ হ'লে—

( ১ ) উদ্ভিদ ৰা ে পণ ।

( ২ ) হাবি-বন সংৰক্ষণ কৰা ।

( ৩ ) নদীৰ পাৰত গছ ৰা ে পণ ।

**প্ৰশ্ন ১০: তলত দিয়া 'ক্ৰছৱৰ্ড পাজল ' ( তালিকা ) খন প্ৰস্তুত কৰা ।**




**Across : 2. Plantation prevents it .**

**5. Use should be banned to avoid soil pollution**

**6. Type of soil used for making pottery .**

**7. Living organism in the soil .**


**Down : 1. In desert soil erosion occurs through .**

**3. Clay and loam are suitable for cereals like .**

**4. This type of soil can hold very little water .**

**5. Collective name for layers of soil .**

উত্তৰঃ


WIND
EROSION
WHEAT
SANDY
POLYTHENE
PROFILE
CLAY
EARTHWORM